
# ৰ'দালি
## -the sunshine
বাৰ্ষিক বাৰ্তাপত্ৰ (News Letter)
Published by : Dept. of Assamese
Lumding College

# LUMDING COLLEGE
www.lumdingcollegeg.org
Editors : Binita Bhuyan
Biswajit Nath

Vol : II, December 2024







## শুভেচ্ছাবাণী ...



অসমীয়া বিভাগৰ বাৰ্ষিক বাৰ্ত্তা পত্ৰ 'ৰ'দালি'ৰ দ্বিতীয় সংখ্যাত একলম লিখিবলৈ সুযোগ দিয়াৰ বাবে মই নথৈ আনন্দিত হৈছো। বহুমুখী প্ৰতিভা সম্পন্ন শিক্ষক-শিক্ষয়িত্ৰীৰে আভূষিত অসমীয়া বিভাগৰ গৌৰৱময় যাত্ৰা অব্যাহত থাকক। আৰম্ভণিৰে পৰা আজিলৈকে শিক্ষাৰ পথাৰখনত যি অৰিহণা অসমীয়া বিভাগে দি আহিছে মই তাৰ শলাগ লৈছো। সমাজখন সুশৃংখল ভাৱে আগবাঢ়ি যোৱাত শিক্ষা আৰু শিক্ষক সকলৰ ভূমিকা অনস্বীকাৰ্য। অসমৰ ৰেলনগৰী লামডিঙত অৱস্থিত একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান লামডিং কলেজ তথা অসমীয়া বিভাগে ছাত্ৰ-ছাত্ৰী সকলৰ মানসিক উৎকৰ্ষতা, কৃতকাৰ্য্যতা তথা জীৱন গঠনৰ ক্ষেত্ৰত যি অবদান ৰাখি থৈ গৈছে সেয়া আমাৰ বিশ্বাস এক গৌৰৱৰ বিষয়।

সাহিত্যই মানুহৰ মনোজগতৰ আমূল পৰিবৰ্ত্তন আনিব পাৰে। এক সুন্দৰ বিশাল মন তৈয়াৰ কৰিব পাৰে সাহিত্য চৰ্চা কৰা বিভাগবোৰে এক যুগান্তকাৰী ভূমিকা লৈ আছে আৰু ভৱিষ্যতেও ল'ব বুলি আশা কৰিলোঁ। যাতায়াতৰ সীমিত সা-সুবিধাৰ মাজতো কাৰ্বি, ডিমাছা, নেপালী, শিখ, বড়ো, বঙালী, অসমীয়াকে আদি কৰি বিভিন্ন ভাষা-ভাষীৰ ছাত্ৰ-ছাত্ৰীয়ে অসমীয়া বিভাগত শিক্ষা লাভ কৰি অসমীয়া ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰত অৰিহনা যোগাইছে। শিক্ষাজনিত কাম-কাজৰ উপৰিও কলেজৰ সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰখনতো এই বিভাগৰ ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰি আহিছে। বিভিন্ন বিভাগত পুৰস্কাৰো লাভ কৰিছে।

অধ্যক্ষ হিচাপে মোৰ কাৰ্য্যকালত পোৱা ৰ'দালিৰ এই বছৰৰ সংখ্যাটোৰ প্ৰতি মোৰ আন্তৰিক শুভেচ্ছা থাকিল। বাৰ্তা পত্ৰ খনিৰ সোণালী যাত্ৰা অব্যাহত থাকক তাৰে কামনা কৰিলোঁ। লগতে বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ জয়যাত্ৰা আৰু উত্তৰোত্তৰ উন্নতি কামনা কৰিলো।


ড° অনুৰাধা চৌধুৰী
অধ্যক্ষ, লামডিং কলেজ

# শুভেচ্ছাবাণী ...



'ৰ'দালি-*the sunshine*' নামৰ বাৰ্তাপত্ৰ (News letter) খন অসমীয়া বিভাগৰ এক সম্পদ। এই নিউজ লেটাৰখনৰ ২য় সংখ্যাটো মুদ্ৰণৰ ব্যৱস্থা কৰিবলৈ আগবঢ়া বাবে অতিশয় আনন্দিত হৈছো। 'NAAC' পৰিদৰ্শনৰ সময়ত বিভাগটোৱে অতি সক্ৰিয়ভাবে সকলোদিশেৰে আগভাগ লোৱা বাবে বিভাগটোৰ শলাগ লৈছোঁ। অসমীয়া বিভাগৰ সংস্কৃতি প্ৰদৰ্শনৰ লগতে বিহু নৃত্য প্ৰদৰ্শন আদিৰে ছাত্ৰ-ছাত্ৰীসকলে সংক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰি শলাগৰ পাত্ৰ হৈছে।

এই বিভাগটোৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলো।

ড° সঞ্জয় কান্তি দাস
সমন্বয়ক, আভ্যন্তৰীণ মান নিৰূপণ কোষ,
লামডিং কলেজ

## Outstanding Alumni of the Department

| Sl. No. | Name | Batch | Current Status |
|---|---|---|---|
| 1. | Kakali Chakraborty | 1990-92 | Assistant Teacher, DBS, Lumding |
| 2. | Binita Bhuyan | 1991-94 | Assistant Professor, Lumding College |
| 3. | Kamakhya Hazarika | 1994-97 | Indian Railway Service Holder |
| 4. | Manju Ramchary | 1994-97 | Assistant Teacher, Lumding Railway High School |
| 5. | Susmita Das | 2016-20 | Office Assistant, Barpeta DC Office |
| 6. | Dolimoni Patar | 2018-22 | TTE of Indian Railway |

# শুভেচ্ছাবাণী ...



'ৰ'দালি-*the sunshine*' অসমীয়া বিভাগৰ দাপোণ স্বৰূপ 'ৰ'দালি-*the sunshine*" বাৰ্ষিক বাৰ্তাপত্ৰখনিৰ দ্বিতীয় সংখ্যাটো প্ৰকাশৰ দায়িত্ব লোৱা বিভাগৰ সতীৰ্থ তথা ছাত্ৰ-ছাত্ৰী সকলক মোৰ আন্তৰিক সম্ভাৱ জ্ঞাপন কৰিছো। লামডিং কলেজৰ জন্মলগ্নৰে পৰা অসমীয়া বিভাগটোৱে বিশেষ তাৎপৰ্য বহন কৰি আহিছে। মুষ্টিমেয় অসমীয়া ভাষা-ভাষী তথা বঙালী, নেপালী, কাৰ্বি, ডিমাছা, বড়ো, হিন্দী, পাঞ্জাবী আদি মাতৃ ভাষাৰ ছাত্ৰ-ছাত্ৰীৰে সমৃদ্ধ এই বিভাগটোত বৰ্তমান তিনি শতাধিক ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা গ্ৰহণ কৰি আছে। এই বৰ্ষত বিভাগৰ প্ৰাক্তন ছাত্ৰী ৰশ্মি মুছাহাৰী আৰু কৰিশ্মা ফুকনে সৰ্বভাৰতীয় 'নেট' পৰীক্ষাত উত্তীৰ্ণ হৈ বিভাগলৈ গৌৰৱ কঢ়িয়াই আনিছে। তেনেদৰে এই বৰ্ষতে উত্তীৰ্ণ হোৱা ছাত্ৰীয়ে ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়, সন্দিকৈ ছোৱালী কলেজত স্নাতকোত্তৰ শাখাত নাম ভৰ্তি কৰিছে। কিছুমানে বি.এড. পাঠ্যক্ৰম গ্ৰহণ কৰাৰ উপৰিও কৃষ্ণকান্ত সন্দিকৈ মুক্ত বিশ্ববিদ্যালয়ৰ জৰিয়তে স্নাতকোত্তৰ শিক্ষা গ্ৰহণ কৰি আছে। অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে "নাক"ৰ পৰ্যবেক্ষণ কালত বিভিন্ন অনুষ্ঠানত অংশগ্ৰহণ কৰি প্ৰশংসা বুটলিবলৈ সক্ষম হৈছে। লগতে কলেজ সপ্তাহকে ধৰি বিভিন্ন সময়ত অনুষ্ঠিত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি পুৰস্কাৰ লাভ কৰি বিভাগলৈ সুনাম কঢ়িয়াইছে।

বিশেষ ভাবে উল্লেখযোগ্য যে এই বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক, বিশিষ্ট জীৱনীকাৰ অসমীয়া শিশু সাহিত্যৰ বুৰঞ্জী লিখক, সাংবাদিক, সমালোচক শ্ৰীযুত উপেন্দ্ৰ বৰকটকীৰ নামত অসমৰ আগশাৰীৰ আলোচনী "গৰীয়সী"য়ে এইবছৰৰ ডিচেম্বৰ সংখ্যাটো বিশেষ সংখ্যা ৰূপে প্ৰকাশ কৰি বিভাগৰ লগতে কলেজখনক গৌৰৱান্বিত কৰি তুলিছে।

প্ৰতি বছৰৰ দৰে এইবছৰো শিক্ষা সদীয় কাম-কাজৰ লগতে অসমীয়া বিভাগে বিভিন্ন কাৰ্যক্ৰম সম্পাদন কৰিছে। বিশিষ্ট ব্যক্তিৰ স্মৃতি-চাৰণ, আলোচনা চক্ৰ, বহাগী-উৎসৱ, বিভিন্ন প্ৰতিযোগিতা, কুইজ আদি অনুষ্ঠান বিভাগত অনুষ্ঠিত হৈছে। বিভাগৰ বাৰ্ষিক শিক্ষা-মূলক ভ্ৰমণ কাৰ্যসূচীত এইবছৰ ছাত্ৰ-ছাত্ৰী সকলক তেজপুৰলৈ লৈ যোৱা হয়। এনেবোৰ অনুষ্ঠানৰ বাবে অন্যান্য বিভাগৰ সতীৰ্থ সকলে আগবঢ়োৱা সৌহাৰ্দ্যতা, কলেজ কৰ্তৃপক্ষৰ সহযোগিতা তথা অধ্যক্ষা মহোদয়াৰ উদগনিৰ বাবে অসমীয়া বিভাগ কৃতজ্ঞ হৈ ৰব। অসমীয়া বিভাগৰ সৰ্বোপ্ৰকাৰ উত্তৰণৰ কামনাৰে–

ড° গীতাঞ্জলি নাথ
মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ

## শিক্ষামূলক ভ্ৰমণ

স্নাতকৰ গুৰু পাঠ্যক্ৰমৰ ষষ্ঠ ষান্মাসিকৰ ছাত্ৰ-ছাত্ৰীৰ লগতে বিভাগৰ অন্যান্য ছাত্ৰ-ছাত্ৰী সমূহকলৈ শিক্ষামূলক ভ্ৰমণৰ বাবে ইংৰাজী ০৭-০২-২০২৪ তাৰিখে তেজপুৰ বিশ্ববিদ্যালয়ৰ লগতে তেজপুৰৰ ঐতিহাসিক ঠাই সমূহৰ পৰিদৰ্শন কৰা হয়।







## বিভাগীয় আলোচনা চক্ৰ

ইংৰাজী ১৯-০৩-২০২৪ তাৰিখে বিভাগৰ ছাত্ৰ-ছাত্ৰীক কেন্দ্ৰ কৰি "অসমীয়া ভাষা আৰু সাহিত্যৰ বিভিন্ন দিশ" শীৰ্ষক এখনি বিভাগীয় আলোচনা চক্ৰ আয়োজন কৰা হয়। বিভাগৰ অধিকাংশ ছাত্ৰ-ছাত্ৰীয়ে এই আলোচনা চক্ৰত অংশগ্ৰহণ কৰে।

## 'অৰুনোদয়'ৰ উন্মোচন

বিভাগীয় প্ৰাচীৰ পত্ৰিকা 'অৰুনোদয়'ৰ উন্মোচন কৰা হয় ইংৰাজী ০৯-০৪-২০২৪ তাৰিখে। উক্ত উন্মোচন অনুষ্ঠানত বিভাগৰ আৰু মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। মহাবিদ্যালয়ৰ ভূতত্ত্ব বিভাগৰ অধ্যাপিকা ড° নিবেদিতা দত্তই এই প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰি প্ৰাচীৰ পত্ৰিকাৰ গুৰুত্ব সম্পৰ্কে ছাত্ৰ-ছাত্ৰীক অৱগত কৰে।






## "ছাত্ৰ-বাৰ্তা" উন্মোচন

অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা পোন প্ৰথমবাৰৰ বাবে হাতে লিখা আলোচনী "ছাত্ৰ-বাৰ্তা" প্ৰথম সংখ্যা ইংৰাজী ১৭-০৫-২০২৪ তাৰিখে উন্মোচন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষা মহোদয়া ড° অনুৰাধা চৌধুৰীয়ে। উক্ত আলোচনীৰ তত্ত্বাৱধায়কৰ দায়িত্ব পালন কৰে বিভাগৰ অধ্যাপিকা বিনীতা ভূঞাই।

# উদ্‌যাপন ঃ আয়োজন

## বিদায় সভা আয়োজন

ইংৰাজী ১৭-০৫-২০২৪ তাৰিখে অসমীয়া বিভাগৰ ষষ্ঠ ষান্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এখনি বিদায় সভা আয়োজন কৰা হয়। উক্ত বিদায় সভাত বিদায়ী ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয়ৰ শিক্ষা গ্ৰহণৰ ভিন্ন অভিজ্ঞতা, অনুভৱ ব্যক্ত কৰে।







## ব'হাগী উৎসৱ উদ্‌যাপন

ইংৰাজী ১৭-০৫-২০২৪ তাৰিখে আবেলি লামডিং কলেজৰ প্ৰাঙ্গনত ৰঙালী বিহুৰ লগত সঙ্গতি ৰাখি লামডিং কলেজৰ অসমীয়া বিভাগে লামডিং কলেজৰ সাহিত্য আৰু সাংস্কৃতিক কোষৰ সহযোগত এক সৌহাদ্যপূৰ্ণ পৰিৱেশত ব'হাগী উৎসৱ উদ্‌যাপন কৰে।

## শিক্ষক বিনিময় কাৰ্যক্ৰম

ইংৰাজী ০৭-০৬-২০২৪ তাৰিখে লঙ্কা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ৰঞ্জন দত্তই লামডিং কলেজৰ অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীক 'সৃজনীমূলক সাহিত্য' শীৰ্ষক বিষয়ত এটা পাঠদান প্ৰদান কৰে। উক্ত পাঠদান কাৰ্যসূচীত বিভাগৰ সমূহ ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।







## 'ৰাভা দিৱস' উদ্‌যাপন

ইংৰাজী ২০ জুন, ২০২৪ তাৰিখে অসমীয়া বিভাগ, সাংস্কৃতিক ঐতিহ্য কোষ আৰু আভ্যন্তৰীন মান নিৰূপন কোষ, লামডিং কলেজৰ সহযোগত কলা গুৰু বিষ্ণু প্ৰসাদ ৰাভাদেৱৰ ৫৫তম মৃত্যুবাৰ্ষিকী উপলক্ষে এখনি স্মৃতিচাৰণ সভা কলেজৰ প্ৰেক্ষাগৃহত দিনৰ ১১ বজাত অনুষ্ঠিত হয়।

# উদ্‌যাপন ঃ আয়োজন

## অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা বিহু নৃত্য পৰিবেশন

ইংৰাজী ১৯ আৰু ২০ ছেপ্টেম্বৰ তাৰিখে কলেজৰ গুণগত মান পৰীক্ষণৰ বাৰে অহা 'NAAC Peer Team' ৰ সন্মুখত বিভাগৰ ছাত্ৰ-ছাত্ৰী সকলে বিহু নৃত্য প্ৰদৰ্শন কৰি প্ৰশংসিত হয়।






## ভূপেন হাজৰিকাৰ স্মৃতিচাৰণ সভা আয়োজন

ইংৰাজী ০৫-১১-২০২৪ তাৰিখে লামডিং কলেজৰ অসমীয়া বিভাগে ড° ভূপেন হাজৰিকাৰ ত্ৰয়োদশতম মৃত্যুবাৰ্ষিকী উপলক্ষে এখনি স্মৃতিচাৰণ সভাৰ আয়োজন কৰে। সভাত অধ্যক্ষকে প্ৰমুখ্য কৰি অন্যান্য বিভাগৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰী সকলেও অংশ গ্ৰহণ কৰে।

## 'ভাষা গৌৰৱ সপ্তাহ উদ্‌যাপন

ইংৰাজী ০৩-১১-২০২৪ তাৰিখৰ পৰা ০৯-১১-২০২৪ তাৰিখলৈ মহাবিদ্যালয় 'ভাষা গৌৰৱ সপ্তাহ' সমিতিৰ লগত সহযোগ কৰি লামডিং কলেজৰ অসমীয়া বিভাগে 'ভাষা গৌৰৱ সপ্তাহ' উদ্‌যাপন কৰে।







## বিভাগীয় আলোচনা চক্ৰৰ আয়োজন

ইংৰাজী ২০-১১-২০২৪ তাৰিখে অসমীয়া বিভাগে 'অসমীয়া সংস্কৃতি' শীৰ্ষক এখনি বিভাগীয় আলোচনা চক্ৰ আয়োজন কৰে। বিভাগৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক সকলে অনুষ্ঠানত অংশ গ্ৰহণ কৰে।

# প্ৰজ্ঞা ঃ প্ৰতিভা

## বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ কৃতিত্ব.....

মহাবিদ্যালয় সপ্তাহ (২০২৩-২০২৪ বৰ্ষ)ত গুৰু পাঠ্যক্ৰমৰ ছাত্ৰী ৰূপালী দেৱীয়ে কবিতা (স্বৰচিত) প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হয়।

ইংৰাজী ২০২৩-২৪ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহত 'মিছ কলেজ' খ্যাতি প্ৰাপ্ত গুৰু পাঠ্যক্ৰমৰ ছাত্ৰী ৰূপালী দেৱী।

ইংৰাজী ২১-০২-২০২৪ তাৰিখে 'মাতৃভাষা দিৱস'ত আয়োজিত বক্তৃতা প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ লাভ কৰে ৰূপালী দেৱীয়ে।







'ভাষা গৌৰৱ' সপ্তাহ উপলক্ষে আয়োজিত শ্ৰুতলিপি প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ লাভ কৰে বিভাগৰ পঞ্চম ষান্মাসিকৰ ছাত্ৰী ঋতিকা দাসে।

ইংৰাজী ১৭-০৬-২০২৪ তাৰিখে বিভাগৰ ছাত্ৰী অংকিতা দেৱীয়ে শ্ৰেষ্ঠ সাংস্কৃতিক কৰ্মী বঁটা লাভ কৰিবলৈ সক্ষম হয়।



# অসমীয়া বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰী সকল ...



১। ড° পৰীক্ষিত হাজৰিকা
এম.এ., পি.এইচ.ডি.
১৯৬২-ৰ পৰা ...



২। সৰ্বেশ্বৰ বৰুৱা,
এম.এ.
০৫-০৮-১৯৭১-ৰ পৰা ১৪-০৮-১৯৭৩ লৈ



৩। উপেন্দ্ৰ বৰকটকী
এম.এ.
০১-১১-১৯৭৩-ৰ পৰা ৩০-১০-২০০৪ লৈ



৪। আৰাধনা দত্ত
এম.এ., এম.ফিল
০১-৯-১৯৭৫-ৰ পৰা ৩১-০৩-২০০৯ লৈ



৫। ড° ৰত্নকান্ত হাটীমতা
এম.এ., বি.টি., এম. ফিল, পি.এইচ.ডি.
১৭-১১-১৯৮৮-ৰ পৰা ৩১-১২-২০১৯ লৈ



৬। ড° গীতাঞ্জলি নাথ
এম.এ., নেট, পি.এইচ.ডি
০৩-১২-১৯৯৩-ৰ পৰা বৰ্ত্তমানলৈ



৭। বিনীতা ভূঞা
এম.এ., বি.এড, নেট
০৮-০৮-২০০৯-ৰ পৰা বৰ্ত্তমানলৈ



৮। বিশ্বজিৎ নাথ
এম.এ., নেট
২৪-০২-২০২১-ৰ পৰা বৰ্ত্তমানলৈ